মাহেকীয়া বাৰ্ত্তালোচনী
তৃতীয় সংখ্যা

# অবিকল্প

মাৰ্চ, ২০২১

দৰং মহাবিদ্যালয়, তেজপুৰ, অসম



"The indomitable spirit of our Morning Session students in publishing the last two volumes of our news letter truly speaks nothing but the power of determined mind and positive thinking. With this two very valuable traits, our students have good health and a good mind which together have made the hitherto impossible student oriented publications more vigorously possible and successful and are now widely accepted in the learned circles. I am confident that 'Abikalpa' will complete its full circle."

**Dr. Joysankar Hazarika**

DARRANG COLLEGE

## অবিকল্পৰ হৈ একলম

- ডিম্পী হাজৰিকা
সম্পাদিকা

*মানিষাদ প্ৰতিষ্ঠাং ত্বম গমঃ শাশ্বতী সমা*
*যৎক্ৰৌঞ্চ মিথুনাদেকম অৱধি কাযমোহিতম।।*

আদিকবি বাল্মিকীৰ আদিতম কবিতাফাকিয়ে সাহিত্য সৃষ্টিৰ মূল সোপান। জ্ঞান শিক্ষা আৰু সৃষ্টিকামী এই আৰ্হিকে আদৰ্শ লৈ "অবিকল্প"ৰ সৃষ্টি। অধ্যক্ষ মহোদয়ৰ নিৰ্দেশ মৰ্মে প্ৰাতঃকালিন অধিবেশনৰ ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা Health Club আৰু এখন Newsletter প্ৰকাশৰ যো-জা হৈছিল। তাৰে পৰিণতিত এয়া তৃতীয় মাহৰ তৃতীয় সংখ্যা অবিকল্প। ছাত্ৰ-ছাত্ৰী সকলক সাৰ্বজনীন দিশত পাৰ্গত কৰি তোলাৰ বাবে দৰং মহাবিদ্যালয়ে চেষ্টাৰ ত্ৰুটি কৰা নাই। আনুষ্ঠানিক শিক্ষা, ক্ৰিড়ামূলক শিক্ষা, সাংস্কৃতিক শিক্ষাৰ উপৰিও দৰং মহাবিদ্যালয়ে একে সময়তে গ্ৰহণ কৰিছে শৰীৰ চৰ্চা আৰু মানসিক উৎকৰ্ষ সাধনা। প্ৰতিমাহে প্ৰকাশ পোৱা "অবিকল্প" দৰং মহাবিদ্যালয়ৰ এক দলিলস্বৰূপ। এই দলিলে দৰঙীয়ানবৃন্দক তেওঁলোকৰ মাজত অন্তৰ্নিহিত হৈ থকা সুপ্ত প্ৰতিভাবোৰ বিকশিত কৰাত আৰু এখোজ আগবঢ়ালে। দৰঙ কলেজৰ দৈনন্দিন কৰ্মৰাজি, সফলতা-বিফলতা আদি সকলো দিশ সামৰি প্ৰকাশৰ মঞ্চ এই "অবিকল্প"।

বিভিন্নজনৰ সহায়-সহযোগিতা, ছাত্ৰ-ছাত্ৰীৰ আগ্ৰহ, শুভাকাংক্ষীৰ শুভাশীষ, শিক্ষাগুৰুৰ আশীৰ্বাদ আদিয়ে 'অবিকল্প'ৰ গতি অবিৰত কৰি ৰাখিছে। সেয়েহে মাজে মাজে হতাশাৰ ছাঁয়া পালেও এই গতি ৰুদ্ধ নহয়। একক আৰু একমাত্ৰ হৈ চলি থাকিব এই মাহেকীয়া বাৰ্ত্তালোচনী। শেষত, সদৌটিলৈ মোৰ ধন্যবাদ আৰু কৃতজ্ঞতা যাঁচি পূৰ্বৰ সংখ্যাবোৰৰ দৰে "অবিকল্প"ৰ ৩য় সংখ্যাটিও যেন পাঠক সমাজে মৰম আৰু স্নেহেৰে আদৰি লয়, এয়াই আমাৰ কাম্য।

Basketball Coaching



তত্ত্বাৱধায়ক ও প্ৰধান প্ৰশিক্ষক - নৃপেন্দ্ৰ কুমাৰ বড়া




পৃষ্ঠপোষক ঃ ডঃ জয়শংকৰ হাজৰিকা
তত্ত্বাৱধায়ক ঃ নৃপেন্দ্ৰ কুমাৰ বড়া
সম্পাদক ঃ ডিম্পী হাজৰিকা
কৃতজ্ঞতা ঃ ইভা, ইনা, চিন্ময়ী, জাহাংগীৰ, অমৃতা, বাবুল, ৰুদ্ৰাক্ষ, বৰ্ণালী, টাইকল ষ্টাইল ট্ৰেকৰ কৰ্মীবৃন্দ

## About Health...

What is physical fitness ? The greatness of a nation is dependent to a large extent on the total fitness of each of its citizen. Total fitness includes i) Physical Fitness, ii) Mental Fitness, iii) Emotional Fitness, iv) Social Fitness and v) Spiritual Fitness. Everybody talks of physical fitness but take little effort to keep it.

The basic characteristics of physical fitness are i) Strength, ii) Endurance, iii) Agility, iv) Balance and v) Flexibility. These are all essential for physiological function and a good health. Outcome of physical fitness 1) Physically Fit person get the maximum satisfaction in everyday life. 2) Better physical co-ordination, mental judgements and emotional controls. 3) He is able to withstand fatigue for longer period. 4) He is better equipped to tolerate physical stress.

MONTHLY NEWSLETTER

VOL-3

# Abikalpa

MARCH, 2021

DARRANG COLLEGE, TEZPUR, ASSAM

শক্তি সংগ্ৰহৰ উপায় হৈছে নিজৰ শৰীৰক দৃঢ় আৰু কৰ্ম্মঠ অৱস্থাত ৰাখক। কোনো মানুহে যদি ইচ্ছা কৰে তেনেহ'লে তেওঁ বিশ (২০) বছৰ বয়সত শাৰীৰিক ভাৱে যিমানখিনি সমৰ্থ আছিল, পঞ্চাচ (৫০) বছৰ বয়সতো সিমানখিনি থাকিব পাৰে। সেয়ে নিয়মিত শৰীৰ চৰ্চ্চাৰ মাজেদি শৰীৰক সুস্থ আৰু সবল কৰি ৰাখক। প্ৰতিদিনে ভিটামিন টেবলেট এটা খাবলৈ নেপাহৰিব।

- ডেল কাৰ্ণেগী

## ঐতিহ্যমণ্ডিত ভাৰতবৰ্ষ

অতীতৰে পৰা ভাৰতবৰ্ষ জ্ঞান-শিক্ষাত বিশ্বৰ ভিতৰতে প্ৰথম স্থানত অধিস্থিত। দেশ-বিদেশৰ নানান শিক্ষাৰ্থী আহি এই শিক্ষা কেন্দ্ৰ সমূহত জ্ঞান চৰ্চ্চা কৰিছিলহি। বিশ্বক জ্ঞান বিতৰণ কৰা কেইখনমান বিশ্ববিদ্যালয়ৰ নাম উল্লেখনীয়। তক্ষশীলা, বল্লভী, ওদন্তপুৰী, জগদ্দল, মিথিলা, বিক্ৰমশীলা, নদীয়া বা নৱদ্বীপ আৰু নালন্দা বিশ্ববিদ্যালয়। কথিত আছে, দুষ্কৃতিকাৰীয়ে নালন্দা বিশ্ববিদ্যালয়ৰ পুথিভড়ালটো জুই জ্বলাই পুৰি পেলোৱাত গ্ৰন্থবোৰ পুৰি শেষ হ'বলৈ ছয় মাহ সময় লাগিছিল।



ভাওনা সমাৰোহ


চিত্ৰাংকন কৰ্মশালাত কলাকাৰ ৰাতুমনি দাস


Basketball competition AVS Vs Darrang College


Beauty of Darrang College

দৰং মহাবিদ্যালয়ৰ দৰে এখন মহাবিদ্যালয়ত পঢ়িবলৈ পাই সচাঁকৈ মই ধন্য। তাতোকৈ ডাঙৰ কথাটো হ'ল পুৰা শ্ৰদ্ধাৰ নৃপেন বড়া ছাৰ আৰু অধ্যক্ষ জয়শঙ্কৰ হাজৰিকা ছাৰৰ তত্বাৱধানত ৰাতিপুৱাৰ যি এক শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে প্ৰশিক্ষণ দি আহিছে তাৰ পৰা যথেষ্ট উপকৃত হৈছো, তাৰোপৰি ব্যায়াম আদিৰ দ্বাৰা আমাৰ দেহৰ বেমাৰ আজাৰ বোৰৰ পৰা যথেষ্ট সকাহ পাইছো। এনেদৰে মহাবিদ্যালয় কৰ্ত্তৃপক্ষই এটা অনুষ্ঠান সৃষ্টি কৰি আমাক প্ৰতিটো দিশতে লাভান্বিত কৰা কাৰণে সকলোলৈকে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলো।


- ভাস্কৰজ্যোতি শইকীয়া


শংকৰী সংস্কৃতিৰ চেমিনাৰ

## পুৱাৰ সেই মধুময় ক্ষণ

ব্যস্ততাৰে ভৰা এই জীৱনত অকনমান সময় উলিয়াই আনুষ্ঠানিকতাৰ বাহিৰত সামাজিক তথা নৈতিক জ্ঞানৰ লগতে শৰীৰ চৰ্চাৰ এক অফুৰন্ত মধুময় ক্ষণেই হ'লে পুৱাৰ সেই প্ৰাতঃঅধিবেশন। য'ত জন্ম হয় জীৱন জীয়াৰ হেঁপাহ, য'ত সৃষ্টি হয় অন্তৰৰ নিৰ্জন কোনত লুকাই থকা সুন্দৰৰ বাসনা, য'ত ৰচিত হয় নৈতিকতাৰ সংজ্ঞা, য'ত জাগি উঠে শৰীৰ চৰ্চাৰ অদম্য হেঁপাহ, সেই পবিত্ৰ ঠায়েই হৈছে "দৰং মহাবিদ্যালয়"ৰ প্ৰাঙ্গনত নৃপেন্দ্ৰ কুমাৰ বড়া চাৰৰ সৈতে কটোৱা সেই বিশেষ সময় খিনি। য'ত সৌন্দৰ্য্য তথা শৰীৰ চৰ্চাৰ লগতে নৈতিক শিক্ষাৰ এক প্ৰকৃত নিদৰ্শণ পোৱা যায়। পুৱাটোৰ সেই এঘন্টা সময়ে আনি দিয়ে মনলৈ প্ৰচণ্ড উল্লাস। বাস্তৱ জীৱনৰ এটি এটি ঘটনা পূংখানুপুংখ বৰ্ণনাৰ লগতে ঐশ্বৰিক শক্তিৰ মহত্বৰ কথাও জনাৰ সুবিধা প্ৰদান কৰে সেই সময়ে। একে সময়তে একাধিক কিতাপৰ সাৰাংশ দাঙি ধৰি বাস্তৱ জীৱনৰ লগত তাৰ সংগতি ব্যাখ্যা কৰি পৃথিৱীৰ এটি এটি ৰঙৰ বিষয়ে বিৱৰণ দিয়া সেই শিক্ষক (নৃপেন্দ্ৰ কুমাৰ বড়া) লৈ মোৰ সহস্ৰ প্ৰণাম।


- শ্ৰী পিংকী তামুলী
স্নাতক, প্ৰথম ষান্মাষিক




## *Physical Jerks*

*As moring rays touches my face,*
*it gives me more grace.*
*As cold breeze enter my lungs,*
*sudden happiness fill my heart.*
*Each and every gesture of my body,*
*assist to nourish my health.*
*It transmute my mood and,*
*bring down my stress.*
*Exercise changes my dull day to bright.*
*Thus I realise,*
*Early to bed and early to rise,*
*makes a man healthy, wealthy and wise.*

***- Ananya Sanjel***




## শৰীৰ.....

শৰীৰ হৈছে ব্যক্তিৰ জীৱনকালৰ শেষ পৰ্য্যায়লৈকে থকা একমাত্ৰ লগৰী। হঠাতে মই এদিন বন্ধুবৰ্গৰ পৰা শুনিব পালো যে প্ৰাতঃকালত আমাৰ মহাবিদ্যালয়ৰ খেলপথাৰত শৰীৰ চৰ্চাৰ উপৰিও চলা জ্ঞান চৰ্চাৰ প্ৰশিক্ষণৰ কথা। পিছদিনা মই প্ৰাতঃকালত উঠি মহাবিদ্যালয়ৰ খেলপথাৰত গৈ মই জীৱনত আজিলৈকে নোপোৱা অভিজ্ঞাতাৰ সন্মুখীন হলো। প্ৰশিক্ষক ছাৰজনক প্ৰথম দেখিয়েই Good Morning Sir বুলি সম্বোধন কৰিলো। তেখেতৰ সহজ সৰল মৰমলগা মাত আৰু তেওঁৰ সু-স্বাস্থ্য দেখি তেওঁ মোৰ বাবে Ideal হৈ পৰিল। সমূহ ছাত্ৰ-ছাত্ৰীকগোট খুৱাই যিবোৰ জ্ঞান আমাক বৰা ছাৰে দিয়ে সেইবোৰ আমি কোনো কিতাপ আলোচনীৰ পৰা আহৰণ কৰিব নোৱাৰো। নানান নজনা কথা শিকিব পাৰিছো, তাৰ উপৰিও Exercise আৰু Physical Activity বোৰ কৰি অলেখ লাভান্বিত হ'ব পাৰিছো আৰু আমাৰ জ্ঞানৰ পৰিসৰো বহল হৈ পৰিছে। আমাৰ স্বাস্থ্যৰ বাবে লাগতিয়াল খোৱা বস্তুবোৰৰ বিষয়েও ছাৰে আমাক যথেষ্ট জ্ঞান দিয়ে। আমাৰ মাননীয় প্ৰধান অধ্যক্ষ মহোদয় ডঃ জয়শঙ্কৰ চাৰৰ প্ৰতি অশেষ ধন্যবাদ জ্ঞাপন কৰিছো যে তেওঁ আমাৰ মাজত এজন এনে ব্যক্তিৰ দ্বাৰা আমাৰ শৰীৰৰ লগতে জ্ঞানৰ বহল পৰিসৰৰ বিষয়ে আৱগত কৰোৱা ব্যক্তিজনক আমাৰ মাজলৈ আনি দিলে।

- সুস্মা দেৱী আচাৰ্য্য






*Morning session in the purview of*

# *Darrangians...*

In this morning session, in my sense, has to some extent benefitted me towards my good health and positive thinking in my day to day life. I am ready to looking forward to follow your direction with my full effort.

In this morning session, we not only gather together to form a company and develop our physical strength but also to acquire various knowledge regarding how to develop our character and become a good person, how to live a healthy life. Out responsibilities and duties towards out society.

- Sumit Nath

## অতীত কবিতা মাধুৰী

*চকুৰে বিচাৰে মোৰ অপৰূপ ৰূপ ৰেখা*
*পৰাণে বিচাৰে মোৰ জীৱনৰ মোহ,*
*বুকুৰে আপোন সুৰে বিচাৰি বিচাৰি ফুৰে*
*মৌ সনা চেনেহৰ কুমলীয়া কোঁহ।।*

- গণেশ গগৈ

*See the mountains kiss high heaven,*
*And the waves clasp one another,*
*No sister flower would be forgiven,*
*If itdisdained its brother,*
*And the sunlight clasps the earth*
*And the moonbeams kiss the sea,*
*What are all these kissings worth,*
*If thou kiss not me ??*

...Loves philosophy of great poet P.B. Shelly






ফেব্ৰুৱাৰী মাহৰ কুইজৰ শুদ্ধ উত্তৰ দিওঁতা - বিকাশ পাৰিখ

## পাৰঘাট

*নদীয়াল বুকু মোৰ*
*বন্যালৈ ভয় নাই,*
*জানো,*
*সুখবোৰ প্ৰহেলিকা।*

*উশাহ দ-কৈ লোৱা*
*আকৌ এৰি দিয়া,*
*সৌৱা,*
*ভাটি দিয়া বেলিৰ*
*পাছে পাছে দৌৰিছে*
*জীৱনৰ তেজী ঘোঁৰা।।*

- বিজয়শ্ৰী ডেকা



**and here, we are practising spirituality. A man, who have seen the past of the nation, is preparing the future of the nation. ❤ Hail! morning session, Darrang college.**

